# 2019

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) "হে স্বামী, কুণ্ডিল হন্তে এক বিশিষ্ট বিপ্ৰ হামাৰ দ্বাৰে ৰহয়ে থিক।" এই কথাষাৰ কোনে কৈছিল?

(খ) ৰঘুনাথ মহন্ত কোন শতিকাৰ লেখক আছিল?

(গ) 'বিশ্বৰূপ দৰ্শন' পাঠটি 'ভগৱত-গীতা'ৰ কোন অধ্যায়ৰ পৰা চয়ন কৰা হৈছে?

(ঘ) 'ত্ৰিপুৰাত মদনপূজাৰ আড়ম্বৰ ...'—শীৰ্ষক পাঠটিত উল্লিখিত ৰজাই মোট খেলিবলৈ যোৱা নদীখনৰ নাম কি আছিল?

(ঙ) কোন চনত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল?

(চ) গুৱাহাটীৰ প্ৰাচীন নাম কি আছিল?

(ছ) মাইকেল এঞ্জিলো কোন দেশৰ চিত্ৰকৰ আছিল?

(জ) কোন কবিক জগতৰ আদিকবি বোলা হয়?

(ঝ) শৃংগাৰ ৰসৰ স্থায়ীভাব কি?

(ঞ) 'হেমকোষ'ৰ ৰচক কোন?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) "হামাৰ বিদৰ্ভ-ৰাজ-নন্দিনী ৰুকমিনী ভিক্ষুক-মুখে তোহাকেৰি ৰূপ-গুণ সুনিয়ে মনে স্বামী-ভাৱে বৰল।" এই কথাষাৰ কোনে, কাক কৈছিল?

(খ) ড০ বাণীকান্ত কাকতি ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

(গ) কৈকেয়ীয়ে ৰজা দশৰথৰ পৰা কি দুটা বৰ মাগিছিল?

(ঘ) 'ত্ৰিপুৰাত মদনপূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' —শীৰ্ষক পাঠটিৰ লেখক দুগৰাকীৰ নাম লিখা।

(ঙ) 'বৰবৰুৱাৰ বিমান বিহাৰ' প্ৰবন্ধত বেজবৰুৱাই উল্লেখ কৰা 'জগাই-মধাই' কোন আছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'পূৰ্বৰাগ' বুলিলে কি বুজা? ৰুক্মিণীৰ প্ৰতি শ্ৰীকৃষ্ণৰ হৃদয়ত পূৰ্বৰাগ কিদৰে সৃষ্টি হৈছিল?

(খ) 'ৰামৰ বনগমন' প্ৰবন্ধটিৰ আলমত কৌশল্যাৰ চৰিত্ৰটি বৰ্ণনা কৰা।





(গ) "ভট্টদেৱৰ গদ্য সংস্কৃত শব্দৰে ভাৰাক্ৰান্ত।" 'বিশ্বৰূপ দৰ্শন' পাঠটিৰ আলমত সমালোচকৰ উক্ত মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ত উল্লিখিত বিসূচিকা (জহনী) ৰোগৰ প্ৰাদুৰ্ভাব সম্পৰ্কে চমুকৈ লিখা।

(ঙ) সাহিত্যত প্ৰকাশ পোৱা সংযত কৰুণ ৰসৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'বৰবৰুৱাৰ বিমান বিহাৰ' প্ৰবন্ধটিৰ ভাষাশৈলী সম্পৰ্কে আলোচনা কৰা।

৪। (ক) কেনে পৰিস্থিতিত পৰি শ্ৰীকৃষ্ণই অৰ্জুনক বিশ্বৰূপ দেখুৱাবলগীয়া হৈছিল, বিৱৰি লিখা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' শীৰ্ষক পাঠটিৰ মূল কথা তোমাৰ ভাষাত বিৱৰি লিখা।

৫। (ক) 'ৰামৰ বনগমন' শীৰ্ষক প্ৰবন্ধৰ আলমত ৰামচন্দ্ৰৰ চৰিত্ৰটি বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদনপূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' শীৰ্ষক পাঠৰ মূল কথাখিনি তোমাৰ ভাষাত বৰ্ণনা কৰা।

৬। (ক) হেমচন্দ্র বৰুৱাৰ 'আত্মজীৱন চৰিত' পাঠটিৰ জৰিয়তে ঊনবিংশ শতিকাৰ অসমৰ কোনবোৰ দিশ সম্পৰ্কে আমি অৱগত হ'ব পাৰোঁ, লিখা। ১০

*অথবা*

(খ) 'বৰবৰুৱাৰ বিমান বিহাৰ' পাঠটিৰ আলমত বৰবৰুৱাৰ বিমান যাত্ৰাৰ এটি চমু বিৱৰণ দিয়া।

৭। (ক) 'সাহিত্যত করুণ ৰস' প্ৰবন্ধটিৰ আলমত তিনি প্ৰকাৰৰ করুণ ৰস সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) "ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পাই পাঁচ প্ৰকাৰ ভক্তিৰসত পৰিণত হয়।" এই পাঁচ প্ৰকাৰ ভক্তিৰস সম্পৰ্কে বহলাই আলোচনা কৰা।

★★★